Total No. of Printed Pages—4

**4 SEM TDC ASM MIL (A) 1**

**2017**

( May )

# ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 401

( অসমীয়া সাহিত্যৰ চানেকি )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) বৰগীতসমূহৰ স্ৰষ্টা কোন?

(খ) মাধৱদেৱৰ চুটি নাটসমূহক কি নামেৰে জনা যায়?

(গ) অসমীয়াত চনেট প্ৰথম কোনে লিখিছিল?

(ঘ) 'ই যে সুধাৰ কাৰণে দেৱদানৱৰ সিন্ধু মথন গান।'

শাৰীটো কোনটো কবিতাৰ অন্তৰ্গত?

(ঙ) ভোলাই শৰ্মা কাৰ ছদ্মনাম আছিল?

(চ) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কোন তাৰিখে পালিত হয়?

(ছ) NCSTC-ৰ সম্পূৰ্ণ ৰূপটো লিখাঁ।

(জ) 'সাঁচিপাতৰ পুথি' কোন শ্ৰেণীৰ উপন্যাস?

২। ব্যাখ্যা কৰাঁ (যি কোনো এছোৱা) : ৪

(ক) নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই।
আমাৰ চকুত তীখাৰ শাণ।

(খ) সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা উন্মাদ বাসনা আমাৰ নাই।
আমি বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল্।

(গ) "এইবোৰ নিৰ্মূল কৰিবলৈ আমি আৰু বহুদিন চেষ্টা চলাই যাব লাগিব। নানা প্ৰচেষ্টাৰে আমি বিজ্ঞানমনস্কতা গঠন কৰিব লাগিব।"

৩। (ক) 'পুৱা' কবিতাটোৰ মাজেদি ফুটি উঠা ঢলপুৱাৰ মনোৰম দৃশ্যৰ বিষয়ে বৰ্ণনা কৰাঁ। ১২

*অথবা*

(খ) 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটোত কবিয়ে পোহৰ আৰু এন্ধাৰৰ যোগেদি কি অৰ্থ প্ৰকাশ কৰিছে? কবিয়ে পোহৰতকৈ এন্ধাৰ ভাল বুলি কিয় ক'ব খুজিছে? ৫+৭=১২

৪। (ক) 'চোৰধৰা' ঝুমুৰাৰ কাহিনী ভাগৰ বিৱৰণ দি যশোদাৰ মাতৃ হৃদয়ৰ কেনে চিত্ৰ অংকিত হৈছে, বিচাৰ কৰাঁ। ৬+৬=১২

*অথবা*

(খ) 'চোৰ ধৰা' ঝুমুৰাৰ মাজেদি ফুটি উঠা কৃষ্ণ-ভক্তিৰ মাহাত্ম্যৰ বিষয়ে আলোচনা কৰাঁ। ১২

৫। (ক) সত্যনাথ বৰাৰ গদ্যৰীতিৰ এটি আভাস দাঙি ধৰি 'জীৱনৰ অমিয়া' পাঠটিত চিত্ৰিত হোৱা মানুহৰ প্ৰকৃতি সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। ৪+৬=১০

*অথবা*

(খ) 'নৈ বৈ যায়' উপন্যাসৰ নিৰ্বাচিত পাঠটিত প্ৰকাশ পোৱা বিহুৰ চিত্ৰ সম্পৰ্কে বিৱৰি লিখাঁ। ১০

৬। (ক) 'আত্মবিনোদক থিয়েটাৰ দল' পাঠটিত বৰ্ণিত মহিলাৰ ভাও পুৰুষে ল'বলগীয়া হওঁতে কেনে অৱস্থাৰ সৃষ্টি হৈছিল, বৰ্ণনা কৰাঁ। ১০

*অথবা*

(খ) 'বৈজ্ঞানিক মানসিকতা গঠনৰ বাবে...' পাঠটিৰ যোগেদি লেখকে সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ছবিখন কেনেদৰে দাঙি ধৰিছে, আলোচনা আগবঢ়োৱাঁ।

৭। (ক) 'সাঁচিপাতৰ পুথি' উপন্যাসত বৰ্ণিত তৎকালীন অসমৰ সমাজ-জীৱনৰ চিত্ৰৰ বিষয়ে আলোচনা কৰাঁ। ১২

*অথবা*

(খ) 'সাঁচিপাতৰ পুথি' উপন্যাসৰ যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ। ৬+৬=১২

৮। (ক) চুটিগল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ভবেন্দ্ৰনাথ শইকীয়াৰ 'এলান্ধু' গল্পৰ বৈশিষ্ট্য বিচাৰ কৰি এটি টোকা প্ৰস্তুত কৰা। ৫+৭=১২

*অথবা*

(খ) ইমৰান শ্বাহৰ চমু পৰিচয় দাঙি ধৰি 'স্পৰ্শৰেখা' গল্পৰ বৈশিষ্ট্য বিচাৰ কৰা। ৪+৮=১২

★★★